# দৰ্শনৰ তাৎপৰ্য

ইৰাণী আহমেদ
স্নাতক, ২য় বৰ্ষ (দৰ্শন বিভাগ)

দৰ্শন বা "Philosophy" শব্দৰ উৎপত্তি স্থল হ'ল গ্ৰীচত। ইয়াৰ পৰাই দৰ্শনৰ ক্ৰমবিকাশ হৈ আন ঠাইবোৰলৈ গতি কৰে। দৰ্শন শব্দটো 'Philos' আৰু 'Sophia' দুটা গ্ৰীক শব্দৰ পৰা উৎপত্তি হৈছে। 'Philos' ৰ অৰ্থ 'Love' অৰ্থ্যাৎ 'অনুৰাগ' আৰু 'Sophia' ৰ অৰ্থ 'জ্ঞান'। ইয়াৰ সম্পূৰ্ণ অৰ্থ হ'ল জ্ঞানৰ প্ৰতি অনুৰাগ।

দৰ্শনে গ্ৰীকৰ লোকসকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। ইয়াৰ ভিতৰত ছফিষ্টসকল প্ৰথম। তেওঁলোকে নিজকে জ্ঞানী বুলি কৈছিল। কিন্তু ছক্ৰেটিছে তেওঁলোকক তীব্ৰ বিৰোধিতা কৰি কৈছিল যে নিজকে জ্ঞানী বুলি ভবাটো মূৰ্খলোকৰ কাম।

বৰ্ত্তমান সময়ত দৰ্শন অতি প্ৰয়োজনীয় বিষয় হৈ পৰিছে। বৰ্ত্তমান সময়ত সমাজত বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি হৈছে, যিবোৰ সমস্যাৰ সমাধান মানুহে দৰ্শন অধ্যয়ন কৰি কৰিব পাৰে। বৰ্ত্তমান মানুহবোৰ অধিক আৱেগিক, অধৰ্য্যশীল, লোভ-মোহৰ দ্বাৰা প্ৰভাৱিত। যাৰ ফলত সমাজত নিজৰ স্বাৰ্থৰ কাৰণে মানুহে যিকোনো কাম কৰিবলৈ ভয় নকৰে। নিজৰ অসংযমী মনোভাৱৰ বাবে বেয়া কামৰ প্ৰতি অধিক আকৰ্ষিত হয়। দৰ্শন অধ্যয়নে এজন মানুহক জীয়াই থাকিবলৈ প্ৰয়োজন হোৱা সকলো সৎ গুণৰ শিক্ষা দিয়ে। লোভ-মোহ আদিৰ পৰা আতৰি অহাৰ শিক্ষা দিয়ে। দৰ্শনে বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে। জীৱন মানে কি? জীৱনে আমাক কি দিয়ে? জীৱনৰ লক্ষ্য কি হোৱা উচিত? ইত্যাদি সকলো ধৰণৰ শিক্ষা দৰ্শনে দিয়ে। বৰ্ত্তমান সমাজখন এক ভয়াবহ পৰিস্থিতিলৈ গতি কৰি আছে। মানুহৰ মাজত দয়া, ক্ষমা, ন্যায় আদি সৎগুণবোৰ নোহোৱা হব ধৰিছে। সেয়ে দৰ্শন অধ্যয়নৰ দ্বাৰা এই গুণবোৰ মানুহে আয়ত্ব কৰিব পাৰে। ফলত সমাজখন সুস্থ আৰু হিংসামুক্ত সমাজৰূপে গঢ়ি উঠিব পাৰিব। বৰ্ত্তমান শিক্ষাৰ দিশত দৰ্শন অধিকভাৱে বিস্তাৰিত হৈছে। সকলো বিষয়তে দৰ্শন অন্তৰ্ভূক্ত কৰা হৈছে। দৰ্শন মানুহৰ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। এটাক বাদ দি আনটো চলিব নোৱাৰে। দৰ্শন নহলে সমাজত অধিক বিশৃংখলতাৰ সৃষ্টি হব। কাৰণ দৰ্শনে মানুহক শুদ্ধ চিন্তা কৰিবলৈ শিক্ষা দিয়ে। দৰ্শনে মানুহক জ্ঞান দিয়ে। ভাল কি? বেয়া কি? জানিবলৈ শিক্ষা দিয়ে। সেয়েহে ভৱিষ্যত জীৱনতো দৰ্শনৰ প্ৰয়োজনীয়তা আছে। অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত সকলোতে এখন সুস্থ সমাজৰ বাবে দৰ্শনৰ প্ৰয়োজন আছে। ❑